হে মানৱজাতি! ধৰ্মীয় ক্ষেত্ৰত সীমালংঘনৰ পৰা বিৰত থাকিবা, কাৰণ তোমালোকৰ পূৰ্বে যিসকল লোক অতিবাহিত হৈছে, সিহঁত ধৰ্মীয় ক্ষেত্ৰত সীমালংঘন কৰাৰ ফলতেই ধ্বংস হৈছে।

ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে জামাৰাতুল আক্বাবাৰ দিনা পুৱাৰ ভাগত উটৰ পিঠিত আৰোহণ কৰি থকা অৱস্থাত কৈছিলঃ "মোৰ বাবে শিলগুটি সংগ্ৰহ কৰা।" ফলত মই তেখেতৰ বাবে সাতটা শিলগুটি সংগ্ৰহ কৰিলোঁ। যিবোৰ আকাৰত আছিল ক্ষুদ্ৰ। তেখেতে সেইবোৰ নিজৰ
হাতৰ মাজত লৈ লাৰিচাৰি ক'লেঃ "এনেকুৱা ধৰণৰ শিলগুটি তোমালোকে নিক্ষেপ কৰিবা।"
ইয়াৰ পিছত তেখেতে ক'লেঃ "হে মানৱজাতি! ধৰ্মীয় ক্ষেত্ৰত সীমালংঘনৰ পৰা বিৰত থাকিবা,
কাৰণ তোমালোকৰ পূৰ্বে যিসকল লোক অতিবাহিত হৈছে, সিহঁত ধৰ্মীয় ক্ষেত্ৰত সীমালংঘন কৰাৰ ফলতেই ধ্বংস হৈছে।" [ছহীহ] [(ইবনে মাজাহ, নাছায়ী, আহমদ)]

হাদীছটোত ইবনে আব্বাছ ৰাদ্বিয়াল্লাহু আনহুমাই জনাইছে যে, বিদায়ী হজ্জত কুৰবানীৰ দিনা জামাৰাতুল আক্বাবাত শিলগুটি নিক্ষেপৰ সময়ত তেওঁ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ লগত আছিল। তেখেতে তেওঁক শিলগুটি সংগ্ৰহ কৰি আনিবলৈ নিৰ্দেশ দিছিল। ফলত তেওঁ তেখেতৰ বাবে সাতটা শিলগুটি বিচাৰি আনিছিল। তাৰে মাজৰ এটা শিলগুটি বুটমাহৰ সমান আকাৰৰ আছিল। সেইটোক তেখেতে হাতৰ তালুত লাৰি চাই কৈছিলঃ এনেকুৱা আকাৰৰ শিলগুটি তোমালোকে নিক্ষেপ কৰিবা। ইয়াৰ পিছত তেখেতে সীমালংঘনৰ পৰা সতৰ্ক কৰিছে তথা ধৰ্মীয় ক্ষেত্ৰত অতিৰঞ্জনৰ পৰা সাৱধান কৰিছে। কাৰণ পূৰ্বৱৰ্তী উম্মতৰ লোকসকল ধৰ্মীয় ক্ষেত্ৰত সীমালংঘন কৰাৰ ফলতেই ধ্বংস হৈছে।

https://sunnah.global/hadeeth/as/show/3395